# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-8-2026
**Time :** 1715 PM

## *Assamese Evening Bulletin*
## Headlines
-------------------

১। ৮০ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা আজি ৰাষ্ট্ৰক উদ্দেশ্যি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ভাষণ।

২। ৰাজ্যৰ প্ৰতিখন জিলাতে কাইলৈ স্বাধীনতা দিৱস উদযাপনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ। খানাপাৰাত স্বাধীনতা দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী।

৩। কাইলৈৰ স্বাধীনতা দিৱস উপলক্ষে জিলা প্ৰশাসনসমূহৰ বিশেষ সজাগতামূলক ব্যৱস্থা গ্ৰহণ।

*আৰু*

৪। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ গুৱাহাটীৰ সমীপৰ গাড়ীগাঁৱৰ পৰা পূব ধাৰাপুৰ সংযোগী দলং মুকলি।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা আজি ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। আকাশবাণীয়ে সন্ধিয়া ৭ বজাৰ পৰা ৰাষ্ট্ৰপতিৰ ভাষণ পোনপটীয়াকৈ প্ৰচাৰ কৰিব। দূৰদৰ্শনৰ সকলো চেনেলযোগেও এই ভাষণ সম্প্ৰচাৰ কৰা হ'ব। হিন্দী আৰু ইংৰাজী ভাষণৰ ঠিক পাছতেই দূৰদৰ্শনৰ আঞ্চলিক কেন্দ্ৰসমূহে নিজ নিজ আঞ্চলিক ভাষাত ৰাষ্ট্ৰপতিৰ ভাষণ সম্প্ৰচাৰ কৰিব। আকাশবাণীয়ে নিশা চাৰে ৯ বজাত ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

ইয়াৰ পৰিপ্ৰেক্ষিতত আজি সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰ হোৱা অসমীয়া বাতৰি সন্ধিয়া ৭ বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব।

০০০০০

সমগ্ৰ দেশত কাইলৈ ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হ'ব। ৰাজ্যৰ ভিন্ন প্ৰান্ততো স্বাধীনতা দিৱসৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই খানাপাৰাত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা স্বাধীনতা দিৱসৰ অনুষ্ঠানত পতাকা উত্তোলন কৰিব। খানাপাৰাত হ'বলগীয়া কুচ-কাৱাজ আৰু সাংস্কৃতিক কাৰ্যসূচীৰ অনুশীলন পূৰ্ণগতিত অব্যাহত আছে। স্বাধীনতা দিৱসৰ কুচ-কাৱাজত এইবাৰ প্ৰথমবাৰৰ বাবে বিহু সংযোজন কৰা হ'ব। এছ্ এফ এছ্ স্কুলৰ ছাত্ৰীসকলৰ বেগেঁ পৰিৱেশন কৰিবলগীয়া বিহু এইবাৰৰ কুচ-কাৱাজৰ মূল আকৰ্ষণৰূপে বিবেচিত হৈছে। ইয়াৰ সমান্তৰালভাৱে বিভিন্ন জিলা সদৰত মন্ত্ৰী বিধায়কসকলে স্বাধীনতা দিৱসৰ পতাকা উত্তোলন কৰিব।

গুৱাহাটী উচ্চ ন্যায়ালয়তো ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ন্যায়াধীশ আশুতোষ কুমাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পুৰণি চৌহদত পুৱা ৮ বজাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব।

০০০০০

দেশৰ স্বাধীনতাৰ গৌৰৱময় যাত্ৰাৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত হৰ ঘৰ তিৰংগা অভিযানৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰৰ পৰা খানাপাৰালৈ আজি বিয়লি হ'বলগীয়া হৰ ঘৰ তিৰংগা যাত্ৰাত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰিব।

বজালী জিলা সমিতিৰ উদ্যোগত আজি পাঠশালাত ৰাষ্ট্ৰীয় পতাকা বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীত বিজেপিৰ বজালী জিলা সমিতিৰ সদস্যসকলে জনসাধাৰণৰ মাজত ৰাষ্ট্ৰীয় পতাকা বিতৰণ কৰে। কাৰ্যসূচীৰ শুভাৰম্ভ কৰি দলৰ বজালী জিলা সমিতিৰ

সভাপতি মুকুট কলিতাই দেশৰ স্বাধীনতা সংগ্ৰামীসকলৰ ত্যাগ আৰু বলিদানক স্মৰণ কৰাৰ লগতে প্ৰতিগৰাকী নাগৰিককে নিজৰ বাসগৃহত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি এই অভিযান সফল কৰি তুলিবলৈ আহ্বান জনায়। কাৰ্যসূচীৰ অংশ হিচাপে আজি লাহৰীঘাট সমজিলা প্ৰশাসনৰ উপস্থিতিত লাহৰীঘাট উন্নয়ন খণ্ডৰ অংগনবাড়ী কৰ্মীসকলে ৰাষ্ট্ৰীয় গীত পৰিবেশন কৰে।

গোৱালপাৰা জিলা প্ৰশাসনে হৰ ঘৰ তিৰংগা অভিযানৰ লগত সংগতি ৰাখি প্ৰতি দিনে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আছে। এই উপলক্ষে আজি নটসূৰ্য ফণী শৰ্মা ভৱনত বিভাজন বিভীষিকা স্মৃতি দিৱস শীৰ্ষক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক চন্দন শৰ্মা মুখ্য বক্তা হিচাপে উপস্থিত থাকে। তেওঁ দেশ স্বাধীন হোৱাৰ সময়ত ভাৰত বিভাজনক কেন্দ্ৰ কৰি সৃষ্টি হোৱা গোষ্ঠীগত সংঘৰ্ষৰ বিভীষিকাৰ বিষয়ত আলোকপাত কৰে।

০০০০০

দেশজুৰি কাইলৈ উদযাপিত হ'বলগীয়া ৮০ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত গোৱালপাৰা জিলা আৰক্ষীয়ে বিশেষ সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তৰ নেতৃত্বত জিলা আৰক্ষীয়ে অসম-মেঘালয় সীমান্ত অঞ্চলত নিশা যাপন কৰাৰ লগতে আজি পুৱা প্ৰায় ৩০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ চাইকেল সমদলেৰে দুয়োখন ৰাজ্যৰ সীমামূৰীয়া নিছানগ্ৰামত উপস্থিত হয়। নিছানগ্ৰামত আৰক্ষীৰ দলটোৱে এখন প্ৰীতি ফুটবল খেলত অংশগ্ৰহণ কৰাৰ লগতে এখন সজাগতামূলক সভাও অনুষ্ঠিত কৰে। অসম আৰু মেঘালয়ৰ মাজত সমন্বয়ৰ বাৰ্তাৰ প্ৰসাৰৰ উদ্দেশ্যে আয়োজন কৰা এই সভাত সীমামূৰীয়া অঞ্চলটোৰ বিভিন্ন সমস্যা সন্দৰ্ভত মত বিনিময় কৰা হয়। জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক বিদ্যুৎ বিকাশ বৰা ভূঞাই আঁত ধৰা এই সভাত জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তই অঞ্চলটোৰ ৰাইজক শান্তিপূৰ্ণভাৱে স্বাধীনতা দিৱস উদযাপন কৰিবলৈ আহ্বান জনাই বুলি আকাশবাণীৰ গোৱালপাৰাৰ সংবাদদাতাই জানিবলৈ দিছে।

স্বাধীনতা দিৱস উপলক্ষে মানকাচৰৰ ভাৰত-বাংলাদেশ সীমান্তত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি গঢ়ি তোলা হৈছে। বিশেষকৈ সীমান্তৰ নদী পথেৰে যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত নহয়, তাৰ বাবে আৰক্ষীয়ে বিগত কেইবাদিন ধৰি অহৰ্নিশে পহৰাৰ ব্যৱস্থা কৰিছে। বি এছ এফৰ কঠোৰ নিৰাপত্তাৰ সমান্তৰালকৈ অসম আৰক্ষীয়েও নদী সীমান্তত নিয়মিয়াকৈ তহল দি থকা পৰিলক্ষিত হৈছে। সুৰক্ষিত আৰু শান্তিপূৰ্ণ পৰিৱেশত স্বাধীনতা দিৱস উদযাপন নিশ্চিত কৰাৰ লক্ষ্যৰে জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ নিৰ্দেশত এই বিশেষ নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই সন্দৰ্ভত সুখচৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হেমন্ত ৰয়ে এইদৰে কয়-

(বাইট)

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ সমীপৰ গাড়ীগাঁৱৰ পৰা পূব ধাৰাপুৰ সংযোগী এখন দলং মুকলি কৰে। ২ কোটি ৫৬ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰা এই দলংখনে গুৱাহাটী মহানগৰৰ যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

***(বাইট ঃ ড০ শৰ্মা)***

দলংখন উদ্বোধন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অসমৰ যোগাযোগ ব্যৱস্থাক অধিক সহজ, সুৰক্ষিত আৰু সুচল কৰি তুলিবলৈ ৰাজ্যৰ এহেজাৰতকৈও অধিক কাঠৰ জৰাজীৰ্ণ দলং সকলো বতৰ অনুকূল হোৱাকৈ পকী দলঙলৈ ৰূপান্তৰ কৰা হৈছে। ইয়াৰ জৰিয়তে যোগাযোগ ব্যৱস্থা শক্তিশালী কৰাৰ লগতে জনসাধাৰণৰ বাবে চৰকাৰী সেৱা আৰু কল্যাণমূলক আঁচনিৰ সুবিধা অধিক সহজে আৰু দ্ৰুতগতিত উপলব্ধ কৰিব পৰা যাব বুলি ড০ শৰ্মাই উল্লেখ কৰে। কাৰ্যসূচীৰ পাছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই বৰুৱাপাৰাৰ ২ নম্বৰ উপ-পথত এটা কালভাৰ্ট মুকলি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণতে কেওটপাৰাত থকা শ্ৰীশ্ৰী মা মনসা মন্দিৰো দৰ্শন কৰে।

০০০০০

কৃষি আন্তঃগাঁথনি পুঁজিৰ ফলপ্ৰসূ ৰূপায়ণ আৰু তৃণমূল পৰ্যায়ত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে আজি মৰিগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত, বিষয়া-কৰ্মচাৰীসকলৰ সামৰ্থ বিকাশ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই কাৰ্যসূচীত কৃষি আন্তঃগাঁথনি পুজিৰ সফল ৰূপায়ণত কৃষি উন্নয়ন বিষয়া আৰু কৃষি সম্প্ৰসাৰণ সহায়কসকলৰ ভূমিকা আৰু দায়িত্ব সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। বিষয়া-কৰ্মচাৰীসকলক যোগ্য হিতাধিকাৰী, যোগ্য প্ৰকল্প, আৰ্থিক সহায়, সুদৰ ৰেহাই, ঋণৰ

নিশ্চিতকৰণ, ৰূপায়ণ প্ৰক্ৰিয়া, বেংকৰ ঋণ মূল্যায়ণ প্ৰক্ৰিয়া, বাধ্যতামূলক নথিপত্ৰ আৰু অন্যান্য আঁচনিৰ সৈতে সমন্বয় আদিৰ বিষয়ে প্ৰশিক্ষণ প্ৰদান কৰা হয়। প্ৰশিক্ষণৰ জৰিয়তে কৃষক, কৃষক উৎপাদন সংস্থা, উদ্যোগী আৰু অন্যান্য যোগ্য হিতাধিকাৰীসকলক কৃষিৰ আন্তঃগাঁথনি পুঁজিৰ সুবিধাসমূহৰ বিষয়ে সঠিকভাৱে অৱগত কৰাৰ প্ৰয়াস কৰা হৈছে। এনে প্ৰশিক্ষণ কাৰ্যসূচীয়ে কৃষিখণ্ডত আন্তঃগাঁথনি উন্নয়ন আৰু বিনিয়োগৰ পৰিৱেশ শক্তিশালী কৰাৰ ক্ষেত্ৰত ইতিবাচক ভূমিকা পালন কৰিব।

০০০০০

ড্ৰাগছ সৰবৰাহকাৰী চক্ৰৰ বিৰুদ্ধে অসম আৰক্ষীৰ অভিযান অব্যাহত আছে। বিশেষ টাস্ক ফ'ৰ্ছে আজি এনে এটা চক্ৰৰ বিৰুদ্ধে অভিযান চলাই ৮০ কোটি টকা মূল্যৰ ড্ৰাগছ জব্দ কৰে। টাস্ক ফ'ৰ্চৰ এটা দলে গুৱাহাটী ছয়মাইলৰ চচলৰ এটা ফ্লেটত অভিযান চলাই ১০ কিলোগ্ৰাম হেৰ'ইন জব্দ কৰে। ঘটনা সন্দৰ্ভত টাস্ক ফ'ৰ্ছে পাঞ্জাবৰ লুধিয়ানাৰ হৰদ্বীপ সিং নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰিছে। ড্ৰাগছ সৰবৰাহকাৰীজনে হেৰ'ইনখিনি পাঞ্জাবলৈ নিয়াৰ পৰিকল্পনাৰে ফ্লেটটোত বাহাৰ পাতি আছিল। এই সন্দৰ্ভত তথ্য লাভ কৰাৰ পাছতে বিশেষ টাস্ক ফ'ৰ্ছে ফ্লেটটোত অভিযান চলাই বৃহৎ পৰিমাণৰ হেৰ'ইনখিনি জব্দ কৰাৰ লগতে অভিযুক্ত হৰদ্বীপ সিঙক গ্ৰেপ্তাৰ কৰে।

০০০০০

নলবাৰী জিলা দিৱস উপলক্ষে নলবাৰী জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ যুটীয়া উদ্যোগত আজি এটা ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। নলবাৰী ক্ৰীড়া সন্থাৰ কাৰ্যালয় চৌহদত আয়োজন কৰা এই ৰক্তদান শিবিৰত স্থানীয় বিধায়ক তথা ৰাজ্য চৰকাৰৰ বিত্ত, পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত দিয়া ভাষণত ৰক্তদানক মানৱীয় দায়বদ্ধতা, প্ৰমূল্যবোধ আৰু মহানুভৱতাৰ অন্য নাম বুলি অভিহিত কৰি এই বিষয়ত সজাগতা সৃষ্টিৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ সকলোকে আহ্বান জনায়। অনুষ্ঠানত জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী, জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিবেকানন্দ দাস, স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত জিলা আয়ুক্ত কৌস্তভ কলিতাকে ধৰি কেইবগৰাকীও জ্যেষ্ঠ বিষয়া-কৰ্মচাৰীৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

০০০০০

সমাপ্ত